# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 22-05-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

নগাঁও জিলাৰ হয়বৰগাঁও ৰে'ল ষ্টেচনকে ধৰি দেশৰ ১৮ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ ১০৩টা অমৃত ষ্টেচন আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিকানেৰৰ পৰা ভাৰ্চুৱেল ব্যৱস্থাৰে মুকলি কৰে। এই উপলক্ষে হয়বৰগাঁও অমৃত ষ্টেচনত উত্তৰ-পূব সীমান্ত ৰে'লৱেই আয়োজন কৰা অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য মুখ্য অতিথি হিচাপে উপস্থিত থাকে। ৰাজ্যপালগৰাকীয়ে তেওঁৰ ভাষণত কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ ১০৩টা ৰে'ল ষ্টেচনক অমৃত ভাৰত ষ্টেচন হিচাপে নতুন ৰূপত গঢ় দি ভাৰতীয় ৰে'লৰ বিকাশত নতুন মাত্ৰা প্ৰদান কৰিলে। অনুষ্ঠানত বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, মন্ত্ৰী কেশৱ মহন্ত, নাগালেণ্ডৰ সাংসদ এছ এছ জমিৰ, উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ মুখ্য মহাপ্ৰবন্ধক চেতন কুমাৰ শ্ৰীবাস্তৱ, প্ৰাক্তন ৰে'ল ৰাজ্য মন্ত্ৰী ৰাজেন গোহাঁইকে ধৰি ভালেকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অমৃত ভাৰত ষ্টেচন যোজনাৰ অধীনত ১৫ কোটি ৮৫ লাখ টকা ব্যয়ৰে আধুনিকীকৰণ কৰা প্ৰায় ১৩৮ বছৰ পুৰণি হয়বৰগাঁও ষ্টেচন এতিয়াৰে পৰা যাত্ৰীসেৱাৰ বাবে উৎকৃষ্ট স্থান হৈ পৰিব বুলি আশা কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই অমৃত ষ্টেচনটো নগাঁও তথা অসমবাসীলৈ উৎসৰ্গা কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক কৃতজ্ঞতা জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে এটা বাৰ্তাত ঐতিহ্য আৰু সম্পদসমূহক পুনৰুদ্ধাৰ, নৱীকৰণ আৰু অত্যাধুনিক কৰাৰ দিশত দ্বৈত ইঞ্জিন চৰকাৰে সদায়ে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে বুলি উল্লেখ কৰে।

উল্লেখযোগ্য যে অমৃত ষ্টেচনসমূহত দুয়োফালৰ পৰা যাত্ৰী প্ৰৱেশৰ সুবিধা, যাত্ৰীৰ বাবে পদসেতু, দিব্যাংগৰ বাবে উপযোগী সা-সুবিধা, বিনামুলীয়া ৱাইফাইৰ সুবিধাৰ লগতে ষ্টেচনসমূহত শ্ব'পিংমল আৰু ইণ্টাৰনেট কেফেৰ ব্যৱস্থা কৰা হৈছে। তদুপৰি নতুনকৈ নিৰ্মাণ কৰা ষ্টেচনসমূহত স্থানীয় সংস্কৃতি প্ৰতিফলিত হোৱাকৈ বিভিন্ন প্ৰতিকৃতি আৰু আলোকচিত্ৰৰ সমাহাৰ ঘটিছে।

০০০০০

মাজুলীক পৰ্যটকৰ বাবে অধিক আকৰ্ষণীয় ৰূপত গঢ়ি তুলিবলৈ পৰ্যটন বিভাগে পৰম্পৰাগতভাৱে কৰি অহা কামৰ উপৰি উদ্ভাৱনী চিন্তাধাৰাৰে পদক্ষেপ ল'বলৈ পৰ্যটন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে আহ্বান জনাইছে। আজি জিলাখনৰ আয়ুক্ত কাৰ্যালয়ত বিভাগটোৰ কাম-কাজৰ অগ্ৰগতিৰ বুজ লৈ মন্ত্ৰীগৰাকীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে মাজুলীত সত্ৰৰ উপৰি ভৌগলিক আৰু পক্ষী পৰ্যটনৰ দিশৰ পৰা পৰ্যটকৰ বাবে ভালেমান সমল আছে। এই সমলসমূহৰ উচিত ব্যৱহাৰৰ দ্বাৰা পৰ্যটনৰ সম্ভাৱনাক অধিক শক্তিশালী কৰি তুলিবলৈ তেওঁ পৰামৰ্শ দিয়ে। মন্ত্ৰীগৰাকীয়ে মাজুলীৰ জেংৰাইত দুপৰীয়া স্বদেশ দৰ্শন আঁচনিৰ অধীনত নিৰ্মিত পৰ্যটন প্ৰকল্পটো পৰিদৰ্শন কৰি ইয়াক শীঘ্ৰেই পৰ্যটকৰ বাবে উপযোগী কৰি তুলিবলৈ পৰামৰ্শ দিয়ে। মন্ত্ৰীগৰাকীয়ে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰো বিভিন্ন আঁচনিৰ কাম-কাজ পৰ্যালোচনা কৰে। বৈঠকত মাজুলীৰ বিধায়ক ভূবন গামৰ লগতে বিভাগীয় বিষয়াসকল উপস্থিত আছিল।

00000

হোজাই জিলাৰ লংকাত এক নম্বৰ ৰে'ল গে'টৰ ওপৰত নিৰ্মীয়মান উৰণ সেতুৰ কাম অতি লেহেমীয়া গতিত হৈ থকা কাৰ্যৰ বিৰোধিতা কৰি অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদে আজি প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। অঞ্চলটোৰ ৰাইজেও এই কাৰ্যসূচীত অংশ লয়। প্ৰতিবাদী জনসাধাৰণে বহু সময় ধৰি পথ অৱৰোধ কৰি ৰখাত ৰে'লপথৰ দুয়ো কাষে বহুসংখ্যক বাহন আবদ্ধ হৈ পৰে। প্ৰতিবাদকাৰীসকলে জিলা আয়ুক্তই এমাহৰ ভিতৰত এই সমস্যা সমাধান কৰাৰ প্ৰতিশ্ৰুতি নিদিয়া পৰ্যন্ত পথ অৱৰোধ কাৰ্যসূচী অব্যাহত থাকিব বুলি দাবী কৰে।

00000

সমগ্ৰ শিক্ষা অভিযান ধেমাজিৰ উদ্যোগত আৰু নিপুণ অসমৰ সৌজন্যত ধেমাজি জিলাৰ বিভিন্ন প্ৰান্তত ছাত্ৰ-ছাত্ৰীসকলক আনুষ্ঠানিক শিক্ষাৰ প্ৰস্তুতি স্বৰূপে কিদৰে এটা সহজ পৰিবেশ দিব পাৰি সেই সন্দৰ্ভত এলানি সজাগতামূলক বাটৰ নাট প্ৰদৰ্শন কৰা হৈছে। ছাত্ৰ-ছাত্ৰীসকলক বিদ্যালয়ত নামভৰ্তিৰ পাছত প্ৰথম তিনি মাহ নৃত্য-গীতৰ মাজেৰে এটা সুন্দৰ পৰিবেশত বিলীন কৰি শিশুৰ শাৰিৰীক, মানসিক আৰু বৌদ্ধিক উৎকৰ্ষ সাধন কৰিব পাৰি সেই বিষয়সমূহ সামৰি জিলাখনৰ মাছখোৱা টাউন আৰু ধেমাজি সদৰত ইতিমধ্যে বাটৰ নাট অনুষ্ঠিত হৈছে আৰু পৰ্যায়ক্ৰমে বিভিন্ন স্থানত একে ধৰণৰ বাটৰ নাটৰ পৰিকল্পনা কৰা হৈছে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

00000

ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত সকলো হিতাধিকাৰীক কেন্দ্ৰীয় চৰকাৰৰ শেহতীয়া সিদ্ধান্ত অনুসৰি তিনি মাহৰ চাউল একেলগে বিতৰণৰ ব্যৱস্থা কৰিছে। জুন মাহত অন্ন সেৱা দিনত প্ৰতিটো পৰিয়ালৰ ৰেচন কাৰ্ডৰ গৰাকীক জুন, জুলাই আৰু আগষ্ট মাহৰ বিপৰীতে এবাৰকৈ মুঠ তিনিবাৰ আঙুলিৰ চাপ দি খাদ্য সুৰক্ষাৰ চাউল সংগ্ৰহ কৰিবলৈ আহ্বান জনাইছে। ইয়াৰ বাবে প্ৰতিজন সুলভ মূল্যৰ দোকানীয়ে নিজৰ অঞ্চলৰ হিতাধিকাৰীসকলৰ মাজত এই বিষয়ে সজাগতা সৃষ্টি কৰাৰ বাবে দোকানৰ সন্মুখত ফলক আঁৰিব লাগিব বুলি প্ৰশাসনে নিৰ্দেশনা জাৰি কৰিছে।

হোজাই জিলাতো জিলাখনৰ আয়ুক্ত বনি ইনাম চান্দাৰে এই নিৰ্দেশনা জাৰি কৰি এই নিৰ্দেশ অমান্য কৰা সুলভ মূল্যৰ দোকানীৰ বিৰুদ্ধে বিধি অনুসৰি শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি স্পষ্ট কৰি দিছে।

00000

শিৱসাগৰ জিলাৰ আয়ুক্ত আয়ুষ গাৰ্গে আজি জিলাখনৰ গেলেকী খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ পৰিদৰ্শন কৰে। তেওঁ বহিঃবিভাগ, পৰীক্ষাগাৰ, প্ৰসূতি তথা মাতৃ কক্ষ আদিৰ লগতে চিকিৎসালয়খনৰ পৰিচ্ছন্নতা আদি দিশসমূহ পৰ্যবেক্ষণ কৰাৰ পাছত আয়ুক্তগৰাকীয়ে কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহকুমা অসামৰিক চিকিৎসালয় আৰু লিগিৰিপুখুৰী স্বাস্থ্য প্ৰতিষ্ঠান পৰিদৰ্শন কৰে। ইতিমধ্যে সম্পূৰ্ণ হৈ উঠা ডায়লেছিছ ইউনিটটোও তেওঁ পৰ্যবেক্ষণ কৰে।

00000

সমাপ্ত